## কন্যা মহাবিদ্যালয়



# সব্যসাচী

প্ৰথম বৰ্ষৰ ১ম প্ৰকাশ

অসমীয়া বিভাগ


সম্পাদিকা

মধুস্মিতা ডেকা

# সব্যসাচী

কন্যা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম বৰ্ষৰ প্ৰথম প্ৰকাশ

১ জুন, ২০২২ চন

[প্ৰাক্তন ছাত্ৰীৰ দ্বাৰা সম্পাদিত]

আন্তৰিক শুভ কামনাৰে —

প্ৰতি,

শ্ৰী যুত/শ্ৰী যুতা ------------------------

------------------------------------------

সম্পাদিকা

শ্ৰী মধুস্মিতা ডেকা

প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ।

# সব্যসাচী

১ম প্ৰকাশ, ১জুন ২০২২

## সম্পাদনা কক্ষ


উপদেষ্টা : মৰমী চৌধুৰী (মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ)
তত্ত্বাৱধায়ক : বিনীতা গগৈ (সহকাৰী অধ্যাপক, অসমীয়া বিভাগ)
সম্পাদক : মধুস্মিতা ডেকা
সহঃ সম্পাদক : ৰাণী আহমেদ
সম্পাদনা সহযোগী : ৰূপালী ভুঞুং, সুনিতা হাজং, প্ৰনিতা দাস, জনিতা বৰুৱা


## বিশেষ কৃতজ্ঞতা স্বীকাৰ


ভাৰপ্ৰাপ্ত অধ্যক্ষ মঞ্জু শইকীয়া।
মহাবিদ্যালয়ৰ অভ্যন্তৰীণ গুণ নিৰূপক কোষ তথা ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক, গুপ্তজিৎ পাঠক।
নিভাওহলী বৈশ্য। মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ।
ড° নৰকান্ত শৰ্মা। সহকাৰী অধ্যাপক, হিন্দী বিভাগ।
অনন্যা বসু। মুৰব্বী অধ্যাপক, বাংলা বিভাগ।
লগতে লিখনি আগবঢ়োৱা অতিজন সন্মানীয় লেখক....

# শ্ৰদ্ধাঞ্জলি




কন্যা মহাবিদ্যালয়ৰ লগত জড়িত
প্ৰয়াত জ্ঞাত অজ্ঞাত ব্যক্তি তথা
অসমীয়া জাতিৰ ভাষা, সংস্কৃতি আৰু
অস্তিত্ব ৰক্ষাৰ বেদীত আত্মোৎসৰ্গ কৰা
মহান বীৰ শ্বহীদসকলৰ পবিত্ৰ
আত্মাৰ চিৰশান্তি কামনা কৰি
অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ ।

# অশ্ৰু অঞ্জলি



প্ৰয়াত ড° বীনা ৰাণী বৰদলৈ।
জন্ম: ০১-১২-১৯৬৬
মৃত্যু: ২৯-০৮-2021.



প্ৰয়াত নকুল চন্দ্ৰ দাস।
জন্ম: ০১-০৩-১৯৬৮
মৃত্যু: ৩০-০৯-2021



"অসতো মা সৎ গময়
তমসো মা জ্যোতিৰ্গময়।
মৃত্যোৰ্মা অমৃতং গময়
ওঁম শান্তি শান্তি শান্তি" ॥

কন্যা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ গৌৰৱোজ্জ্বল ইতিহাসৰ ধ্বজা ধাৰোঁতা আমাৰ শ্ৰদ্ধাৰ অগ্ৰজ সতীৰ্থ আৰু শিক্ষাগুৰুদ্বয়ৰ পাদ কমলত অসমীয়া বিভাগৰ শিক্ষক আৰু ছাত্ৰীসকলৰ ভক্তি ভৰা অঞ্জলি....

# MESSAGE

It gives me immense pleasure to know that the Assamese Department of Kanya Mahavidyalaya is releasing the first edition of their magazine, "Sabyasachi".

The magazine is a wonderful writing platform for all to showcase their writing skills. Writing needs a creative mind. I believe that this magazine will help bring out the literary side in all of us. After all, a pen is mightier than the sword.

I convey my best wishes to the entire editorial team of "Sabyasachi" in their endeavour.

From

Mrs. Manju Saikia.
Principal i/c
Kanya Mahavidyalaya
Geetanagar, Ghy-21

# সম্পাদিকাৰ মেজৰ পৰা

আৰম্ভণিতে আকোণাকোণৰ সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জ্ঞাপন কৰিলো। গুৱাহাটী চহৰৰ অন্যতম মহাবিদ্যালয়ৰ ভিতৰত কন্যা মহাবিদ্যালয়। ১৯৭৭ চনত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনত মই ২০২১ চনত নাম ভৰ্তি কৰিছিলো। আজি মই কন্যা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী। আজি মই 'সব্যসাচী' আলোচনীখন সম্পাদনা কৰিবলৈ পাই বহুত আনন্দিত।

'সব্যসাচী' কন্যা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম বাৰ্ষিক প্ৰথম প্ৰকাশ। আলোচনী এখন বিদ্যালয়, মহাবিদ্যালয়, এটা বিভাগ ইত্যাদিৰ দাপোনস্বৰূপ। এষাৰ কথা যেন প্ৰতিফলিত হৈছে অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰীৰ লিখনিত। মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী তথা প্ৰাক্তন ছাত্ৰী সকলৰ নিজ হাতে লিখা কবিতা, গল্প, ছাত্ৰৰ প্ৰতি থকা অনুভৱ আদি সদায় জীয়াই থাকিব 'সব্যসাচী' আলোচনীৰ মাজেৰে।

সদৌ শেষত মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু স্বৰ্গীয় হীৰাৰাণী বৰদলৈ বাইদেউ, নকুল চন্দ্ৰ দাস ছাৰ আৰু আব্দুল আহমেদ ছাৰলৈ অশ্ৰু অঞ্জলি জ্ঞাপন কৰিলোঁ লগতে কন্যা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'সব্যসাচী'ৰ প্ৰকাশ সুগমীয়া হওক। এই আশাৰে............।

"জয়তু কন্যা মহাবিদ্যালয়"
"জয়তু সব্যসাচী।"
ধন্যবাদেৰে —

সম্পাদিকা
মধুস্মিতা ডেকা

# অশ্ৰু-অঞ্জলি

" মৃত্যুতো এটা শিল্প !
জীৱনৰ বৰ্ণিল শিল্পত কটা নিৰ্মোহ ভাস্কৰ্য ?.."

— হীৰেন ভট্টাচাৰ্য ।

সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য দেৱৰ কথাষাৰৰ লগত একমত হব খুজিও বেণ্ডিয়াবাচোন উদ্ধৃতি খাই থমকি ৰওঁ । সঁচাকৈ মৃত্যুৱেই শিল্প হয়নে ? আত্মীয়ৰ বুকু ভাঙি ওচৰচ কৰা দুখুহাৰ উত্তাল গৰ্জনত প্ৰাণ পাই জানো নিৰ্মোহ ভাস্কৰ্য। ২০২১ চনৰ মৃত্যুৰ বিভীষিকাই আমাৰ মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যৰ বুকুত বা-মাৰলিৰ সৃষ্টি কৰি গ'ল। প্ৰথমটো-জোকাৰত আমাৰ মাজৰ পৰা অতি মৰমৰ অনুজ ভাই প্ৰতীম, হিন্দী বিভাগৰ পূৰ্বৱৰ্তী অধ্যাপক আব্দুল হান্নান আহমেদ চকালতে হেৰাই গ'ল। মাথো স্মৃতিবোৰ আমাৰ মাজত দুলি ৰ'ল। সতীৰ্থ হেৰুওৱাৰ বেদনাহত হৃদয় প্ৰশমিত নৌহওঁতেই, আমাৰ সকলোৰে শ্ৰদ্ধাৰ, মহাবিদ্যালয়ৰ প্ৰাণস্বৰূপ, কৰ্ম দক্ষতাত অদ্বিতীয়, মহাবিদ্যালয়ৰ অধ্যক্ষা ড° বীণা ৰাণী বৰদলৈ বাইদেৱে আমাক সকলোকে শোক-সাগৰত উপবিষ্ট কৰাই অনন্ত যাত্ৰালৈ গতি কৰিলে। বীণা বাইদেউ ! যাৰ ঐকান্তিক প্ৰচেষ্টাত প্ৰাণ সঞ্চাৰ হৈছিল কন্যা মহাবিদ্যালয়, তেখেতেও আমাক মাজপথত দিশহাৰা কৰি অকালতে আঁতৰি গ'ল। এই মৰ্মান্তিক শোক সমুদ্ৰৰ পৰা মূৰ দাঙি থিয় হ'বলৈ চেষ্টা কৰোঁতেই নিষ্ঠুৰ নিয়তিয়ে আমাৰ মাজৰ পৰা সদা হাস্য মুখৰ, প্ৰাণ চঞ্চল, যেন দুৰন্ত তৰুণ ! জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগৰ পূৰ্বৱৰ্তী অধ্যাপক, জ্ঞান-গৰিমাৰে গৌৰৱ, উজ্জ্বল ব্যক্তিত্বৰ অধিকাৰী নকুল চন্দ্ৰ দাস ছাৰক আকস্মিক ভাৱে কাঢ়ি লৈ গ'ল। মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে মূৰত যেন আকাশী সৰগ ভাঙি পৰিল। সকলো যেন আছি প্ৰাণহীন পুতলা ! সেয়েহে এতিয়া মোৰ অনুভৱত সকলো —

' অস্থিৰ সময়ৰ বুকুত
চকুলোৰ দাগ কাটি
শিহৰি উঠে এটি আৰ্তনাদ ;
বুকুত দুলি দুলি নিথৰ হ'ল,

ক্ৰমশঃ

ক্ৰমশঃ এটি আলসুৱা ভাব ০০০
- সময়ৰ বুকুত আঁচ বহুৱাই
দুঃসময়ে কাঢ়ি নৈ গ'ল
চিকুণ দিনৰ সোণ চৰাইৰ মাত....

'জন্ম হ'লে মৃত্যু অনিবাৰ্য' জানো; তথাপিও হৃদয়ে মানিব নোখোজে। মানুহ আমি, পঞ্চ ইন্দ্ৰিয়ৰে পৰিচালিত সুখ-দুখ হাঁহি কান্দোনেৰে ভৰা আমাৰ জীৱন। মৃত্যু শাশ্বত সত্য, সেই কথা শিৰোগত কৰি জীৱন যুঁজৰ বলুৱা হৈ আগুৱাব লাগিব। আশ্চৰ্যজনক ধৰণে বীণা বাইদেউ আৰু দাস ছাৰ দুয়োজন আছিল সহপাঠী আৰু দুয়ো অসমীয়াৰ অধ্যাপক। আমাৰ মহাবিদ্যালয় পৰিয়ালৰ শ্ৰদ্ধাৰ তিনিওজন আত্মজ সদস্যলৈ অশ্ৰু অঞ্জলিৰে হৃদয়ৰ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে 'সব্যসাচী' পৰিয়াল তথা অসমীয়া বিভাগৰ তৰফৰ পৰা বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি পৰম পিতাৰ ওচৰত নতশিৰে প্ৰাৰ্থনা জনালো। তেওঁলোক সকলোৰে আত্মাই চিৰশান্তি লাভ কৰি বৈকুণ্ঠধাম প্ৰাপ্ত হওক। তেওঁলোক য'তেই আছে, তাৰে পৰাই আমাক আশীৰ্বাদ কৰক, যাতে তেওঁলোক সকলোৰ কৰ্মৰাজিৰ পদাংক অনুসৰণ কৰি আমি আমাৰ পথ তৈয়াৰেৰে মহাবিদ্যালয়খনিক উন্নতিৰ পথেৰে আগুৱাই নিব পাৰো। শেষত কবিৰ ভাষাৰে ০০০

"ফুলিল মালতী, ফুলি সৰি পৰি গ'ল,
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ'ল।
ভাগি গ'ল বীণা ধ্বনি
ছিগি গ'ল তাঁৰ,
ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ।"
অৱশেষ ৪ ৰসৰাজ লক্ষ্মীনাথ
বেজবৰুৱা।

তথ্যৰবীয়ক,
"সব্যসাচী"
অসমীয়া বিভাগৰ আলোচনী
১ম বছৰ, ১ম সংখ্যা।

— বিনীতা গগৈ।
সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ।
কন্যা মহাবিদ্যালয়।

# সূচীপত্ৰ


১/ নকুল চন্দ্ৰ দাসৰ গৌৰৱপত........
২/ শুভেচ্ছাবাণী
৩/ আমনি কথা স্মৃতিবোৰ
৪/ একাঁজলি শ্ৰদ্ধাঞ্জলি
৫/ স্মৃতি-পাট
৬/ অমৃত বাণীবাণী বৰদলৈ বাইদেউ আৰু নকুল চন্দ্ৰ ছাৰৰ স্মৃতিত
৭/ স্মৃতিৰ পোহৰ
৮/ কাগলিকা লগা দিনটো
৯/ ছাৰৰ স্মৃতিত দুষাৰ
১০/ এক মহান শিক্ষকৰ এক মিঠা সোঁৱৰণ
১১/ স্মৰণীয়
১২/ মোৰ এটি অনুভৱ
১৩/ মোৰ অনুভৱত ছাৰ
১৪/ শ্ৰদ্ধাঞ্জলি
১৫/ শ্ৰদ্ধাঞ্জলি
১৬/ আউজীৰ অপোন
১৭/ শেষ বিদায়
১৮/ শ্ৰদ্ধাঞ্জলি
১৯/ স্বৰ্গীয় নকুল চন্দ্ৰ দাস ছাৰ
২০/ জ্ঞানজ্যোতি
২১/ নকুল চন্দ্ৰ দাস ছাৰ
২২/ কবিতা

নকুল চন্দ্ৰ দাসৰ সোঁৱৰণত ....

সেই দিনটোৱে আছিল এটি সঁচাকৈয়ে বৰ দুখৰ দিন। হঠাৎ এটা দুৰ্ঘটনাৰ খবৰটোৱে আমাক সকলোকে মৰ্মাহত কৰি তুলিলে। দাসৰ মৰাৰ খবৰ পোৱা ফোনটো হাতত লৈয়ে চকুৰ পানী টুকি টুকি বিনীতা বাইদেউ ৰুমটোৰ ভিতৰে আহি আমাক যেতিয়া কথাষাৰ কলেহি আমি সকলো শিলগুটিৰ দৰে মৌন হৈ ৰলোঁ। সেই সময়ত অতিথিনিবাস হলত স্নাতক আৰু উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীসকল ৰৈ আছিল। এতিয়াও সকলো মনত আছে বিনীতাই সেই সময়ত তেওঁৰ পৰিয়ালক সহায় কৰিবলৈ আমাৰ যাৰ হাতত যি আছিল, সেইদৰেই হস্পিতাললৈ ঢালানি মেলিছিলো। আমি সকলোৱে মাত্ৰ তেওঁৰ আত্মাৰ সদগতিৰ বাবে ভগৱানক প্ৰাৰ্থনা জনাইছিলোঁ। দ্বিতীয় দিনা আমি যেতিয়াও বাতৰি কাকতৰ খবৰটোৱে আহিল। দাসৰ মৃত্যুৰ বাতৰি পাই আমি সকলোৱে মৰ্মাহত হৈ পৰিলোঁ, আমি কেতিয়াও ভবা নাছিলো যে নকুল দাস স্যাৰে আমাক এনেদৰে এৰি থৈ গুচি যাব, যি কি নহওক, আমি সান্ত্বনা লবই লাগিব, কাৰণ জন্ম হলে মানুহৰ মৃত্যু হ'বই। কিন্তু সেয়া প্ৰাকৃতিক হ'লে সকলোৱে গ্ৰহণ যোগ্য হয়।

নকুল চন্দ্ৰ দাসক মই কলেজত চাকৰিত যোগ দিয়া দিনৰে পৰা লগ পাইছিলো। আমি একেলগে কমন ৰুমত বহি নানা বিষয়ৰ কথা পাতিছিলো, বিশেষকৈ ঘৰুৱা কথা বা তেওঁৰ অভিজ্ঞতাবোৰ আমাৰ আগত কৈ ভাল পাইছিল। তেওঁৰ সুমধুৰ কথাৰ-টোপোলাটো ভালে আমাৰ আগত মেলি আমাক হঁহুৱাবোৰ সঁচাকৈয়ে স্মৰণীয়। তেওঁৰ কথাবোৰ ইমানেই সাৱলীল আছিল যে শুনিলে শুনি থাকিবৰ মন গৈছিল। কাৰণ কথাৰ-লগত হাতৰ অংগী ভংগীৰে ব্যক্ত কৰিছিল। সাংস্কৃতিক জগতত এনেটো তেওঁৰ বহুত দখল আছিল। কলেজৰ ফাংচন-সমূহত তেওঁকে নিজেই নাটক লিখি, গীত গাই, বিশেষকৈ বোৰ গীত গাই ছাত্ৰী সকলক বিশেষ উৎসাহ যোগাইছিল। উচ্চ আৰু সাৱলীল কণ্ঠস্বৰৰ গৰাকী এই গৰাকী স্যাৰে মহাবিদ্যালয়ৰ যিকোনো কাৰ্যতে আগভাগ লৈ ছোৱালী বিলাকক প্ৰেৰণা-যোগাইছিল। মুঠতে দাস আছিল মহাবিদ্যালয়ৰ সকলোৱে

প্ৰিয় সহকৰ্মী সকলোৰে মধ্যমণি। সকলো ডাঙৰ সৰুলোকৰ লগত সদ্ ব্যৱহাৰ আৰু সমান আন্তৰিকতাৰে ব্যৱহাৰ কৰা নকুল চন্দ্ৰ দাস আছিল সদা হাস্যময়, প্ৰাণৱন্ত ব্যক্তিত্বৰ অধিকাৰী।

নকুল চন্দ্ৰ দাসৰ কথা কৈ শেষ কৰিব নোৱাৰি। তেখেত য'তেই থাকক, শান্তিৰে থাকক। তেখেতৰ আত্মাই স্বৰ্গত ঠাই পাওক, তাকেই কামনা কৰিলো। ওঁম শান্তি...

-নীতাঞ্জলী বৈশ্য।
প্ৰাক্তন অধ্যাপক,
শিক্ষা বিভাগ।
কন্যা মহাবিদ্যালয়।

# শুভেচ্ছাবাণী

- গুপ্তজিৎ পাঠক
আই কিউ এ চি ৰ সমন্বয়ক
তথা
ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক
কন্যা মহাবিদ্যালয়, গীতানগৰ -
গুৱাহাটী - ২১

অসমীয়া বিভাগৰ পৰা এখন বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ লোৱাত আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। সকলোতকৈ আনন্দিত হৈছোঁ এই শুভ কাৰ্য প্ৰাক্তন ছাত্ৰী সকলৰ দ্বাৰা সমাপন কৰা হৈছে, তদুপৰি ও শ্ৰদ্ধাৰ ৰীণাৰাণী বাইদেউ আৰু নকুল চন্দ্ৰ দাস চাৰৰ সোঁৱৰণত অসমীয়া বিভাগে এই সংখ্যাটি উৎসৰ্গা কৰিছে।

কন্যা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সকলোকে আই কিউ এ চি ৰ সমন্বয়ক হিচাপে মই এই শুভ মুহূৰ্তত এবাকজলি শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

লগতে ভাতৃবন্ধু সদৃশ নকুল চন্দ্ৰ দাস চাৰৰ সশ্ৰদ্ধ সোঁৱৰণত তেওঁলৈ সুঁৱৰি কবিতা —

তোমাৰ শূন্যতাৰ পূৰ্ণতাত

ৰাতিৰ নীৰৱতাত
কোনে গাইছিল
বৰচেনিচুৰি নে নলবাৰীৰ নামঘৰত

ক্ৰমশঃ

কিয় গুচি গ'লা
আহা বাটেৰেই
হাস্যৰ কেঁকুৰিত,
সিটি মৌ গ'লা
এমুঠি মাথোন সেউজীয়া চেনেহ ।

এতিয়া......
শূন্যতা তোমাৰ
প্ৰাণ ভৰি ভৰি ।

## আমাৰ কথাৰ স্মৃতিবোৰ...

সনুহজন গীতেৰে।

ৰং-ৰস, মান-অভিমানেৰে মিশ্ৰিত কৰ্মময় জীৱনটোৰ কিছু জীৱন্ত ঐশ্বৰ্য্যৰে সময়, নিৰন্তৰ আকুল আহ্বানক প্ৰতিহত কৰিব নোৱাৰিলো এক।

সেইবোৰৰ মেলাতেই কাহিনীত প্ৰস্তুত কৰিব নোৱাৰা সংস্থাই সমুহজন অৱশেষত নিৰ্ণয় কৰাত ইয়াৰ সাফল্যৰে কবি হ'ল।

মিঠা-তিতা, আবেগ-অনুভূতিৰে মিশ্ৰিত কৰ্মময় জীৱনৰ সকলোৰে কথাবোৰে যেন প্ৰতিধ্বনিত হৈ থাকিব অনন্ত দিনলৈকে।

সেই কথাবোৰ, সেই অনুভূতিবোৰ সকলো কাঢ়ি-আনি অসমীয়াৰ লাগিব, তেতিয়াহে তেওঁৰ অন্তৰে শান্তি লাভ কৰিব।

মৰমী চৌধুৰী
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

## এবাঁকনি শ্ৰদ্ধাঞ্জলি ...

যোৱা ৩০ ছেপ্তেম্বৰ, ২০২১ চনৰ - এই তাৰিখতে আমাক সকলোকে কন্দুৱাই আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নকুল চন্দ্ৰ দাস ছাৰ অজান মুলুকলৈ গুচি যায়। যশস্বী অধ্যাপক, মননশীল কবি, অনন্য গল্পকাৰ, মনোৰম গীতিকাৰ, নাট্যকাৰ, গীতিনাট্যকাৰ, ওজস্বী বক্তা, ভক্তি সাহিত্যৰ গৱেষক, বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ গুৰি ধৰোতা, সৰলতাৰ প্ৰতিমূৰ্তি, কেইবাখনো গ্ৰন্থৰ লেখক আৰু আমাৰ সকলোৰে তথা বিভাগৰ অভিভাৱক স্বৰূপ দাস ছাৰৰ অনাকাংক্ষিত মহাপ্ৰয়াণত আমি সকলোৱে অত্যন্ত মৰ্মাহত হৈছোঁ। বিভাগ তথা মহাবিদ্যালয়ৰ প্ৰতি থকা দাস ছাৰৰ অৱদান আমি সদায়ে স্মৰণ কৰিম। আমি ছাৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিলো। হে গুৰুদেৱ! আপোনালৈ আমি হৃদয়ৰ নিভৃত কোণৰ পৰা অশ্ৰু অঞ্জলী যাঁচিলো ...

ওঁম শান্তি... ওঁম শান্তি ... ওঁম শান্তি...

— ড° নৰকান্ত শৰ্মা।
সহকাৰী অধ্যাপক
হিন্দী বিভাগ।
কন্যা মহাবিদ্যালয়।

# স্মৃতিপট

“হায় চলে গেলে তোমরা না ফেরার দেশে, কোথায় যে চলে গেলে। রয়ে গেলে শুধু স্মৃতিপটে”।

জীবন গতিশীল, কারোর জন্য থেমে না থাকে, তাদের অস্তিত্ব যেন আজও আমরা অনুভব করি। তাদের সঙ্গে অতিবাহিত আমার ২০০৯ সাল থেকে ২০২০-২০২১ সাল পর্যন্ত সময়টুকু যেন ছিল জীবনের এক বিশেষ মুহূর্ত, কখনও যেন তাদের অস্তিত্ব অনুভব করি, কিন্তু বেদনা ভরা মর্মান্তিক বাস্তব সত্য আমাদের মেনে নিতে হবে, মৃত্যু জীবনের চিরন্তন সত্য, কেউ-তাকে বেঁধে রাখতে পারে না, শুধু বেদনা রয়ে গেল তাদের অকালে চলে যাওয়ার,

মানকুমারী বসুর ‘মৃত্যু সুন্দর’ কবিতায় মৃত্যুর যে দুঃখ বা বেদনা তাই অনুভূত হয়, তাদেরই আজও যেন কখনও মেনে নিতে পারা যায় না, মৃত্যু কঠিন সত্য, কলেজের যেন প্রাণ-ছিলেন অধ্যাপক প্রীতম কাইতের্ত, তার মৃত্যুর শোক কাটিয়ে উঠতে না উঠতেই আবার চলে গেলেন হাসিমুখী সহকর্মী তথা সবার নতুন দাসম্যাম,

সবের মৃত্যু যেমন বেদনাদেয়, এর পূর্বে 2020 সালের নভেম্বর মাসে চলে গেল শ্রদ্ধেয় আব্দুল স্যার, আব্দুলের মৃত্যুও ছিল অস্বাভাবিক॥ তার মৃত্যুও নাড়ীর টানে দোলা দেয় অন্তর আত্মাকে,

পর পর অসময়ে শীলা কাইয়ুম, নূরহোসেন স্যার ও ভাই আব্দুল হান্নান স্যারের অকাল মৃত্যুতে বেদনায় ভরে উঠে হৃদয়, কিন্তু জীবন প্রবাহ-তো চলমান, চলতেই হবে, মেনে নিতেই হবে মৃত্যুর এই বেদনা, তাদের তিনজনকে স্মরণ করে তাদের প্রতি শ্রদ্ধাঞ্জলি জানিয়ে, তাদের আত্মার যেন সদ্‌গতি লাভ হয় এই কামনা করছি,

জীবনের পাট হয়ে যাবে শুধু-থাকবে তিনজনের অকাল মৃত্যুর স্মৃতি,

অনন্যা রায়
বাংলা বিভাগ
কন্যা মহাবিদ্যালয়,
গীতালদহ,

# প্ৰয়াত বীণাৰাণী বৰদলৈ বাইদেউ আৰু নকুল চন্দ্ৰ দাস ছাৰৰ স্মৃতিত

– জিতুমণি ডেকা
– জু-নাৰেস্থী ছাত্ৰ-সন্থা

শ্ৰদ্ধাৰ বাইদেউ আৰু ছাৰৰ কথা লিখিব ওলাইছো যদিও কোনো ভাষা বিচাৰি পোৱা নাই। মনতে হঠাৎ কেতিয়াবা প্ৰশ্ন জাগি উঠে সচাঁকৈয়ে আজি আমাৰ মাজত নাই জানো? বহুতো চেষ্টা কৰিও কিন্তু লিখিব পৰা নাই, লিখিবলৈ আৰম্ভ কৰিলেই দুয়োগৰাকী ব্যক্তিৰ অতীত স্মৃতিয়ে আমাৰ বুকুত খুন্দা মাৰি ধৰে।

কিন্তু নিয়তিৰ খেল কোনেও আজিলৈকে বুজি নাপালে। চিৰদিনৰ বাবে বীণাৰাণী বৰদলৈ বাইদেউ আৰু নকুল চন্দ্ৰ দাস ছাৰ আজি এই সংসাৰত নাই। চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা বিদায় লৈ স্বৰ্গত বাস কৰিলে। ছাৰ আৰু বাইদেউৰ লগত আমাৰ অতিকৈ ঘনিষ্ঠ সম্পৰ্ক আছিল।

দুয়োগৰাকী ব্যক্তিয়ে কন্যা মহাবিদ্যালয়ৰ নিষ্ঠাবান শিক্ষা গুৰু আছিল। বীণাৰাণী বৰদলৈ বাইদেউৰ নিজ পাৰদৰ্শিতা তথা প্ৰতিভাৰ বলতে প্ৰথমে বিভাগৰ অধ্যাপিকা আৰু পৰৱৰ্তী সময়ত অধ্যক্ষৰ পদত অধিষ্ঠিত হয়। লগতে নকুল চন্দ্ৰ ছাৰ আছিল অসমীয়া বিভাগৰ নিষ্ঠাবান অধ্যাপক। দুয়োগৰাকী শিক্ষা গুৰুৱে শিক্ষাজগতত ছাত্ৰীৰ জীৱনত পোহৰ বিলাই দিয়াৰ লগতে সমাজৰ হিতৰ হকে সামাজিক কাম কাজ কৰিছিল।

২ ডিচেম্বৰত জন্মগ্ৰহণ কৰা ড° বীণাৰাণী বৰদলৈ বাইদেৱে 'প্ৰবন্ধ প্ৰদীপ' আৰু 'প্ৰবন্ধ কৰবি' শীৰ্ষক দুখন মূল্যৱান গ্ৰন্থ ৰচনা কৰাৰ লগতে বিভিন্ন কাকত আলোচনীত নিয়মীয়াকৈ গল্প কবিতা, প্ৰবন্ধ আদি লেখা মেলা কৰিছিল। ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণা কৰি বাইদেউ ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল।

প্ৰয়াত নকুল চন্দ্ৰ দাস ছাৰে ১৯৯৩ চনৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈ মহাবিদ্যালয়ৰ লগত জড়িত হৈ আছিল। তেখেতে বিভিন্ন গ্ৰন্থ লিখিছিল লগতে নামঘোষাৰ ওপৰত গৱেষণা কৰি আছিল। জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰালৈকে আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু দুয়োগৰাকীক লগ পাওঁ।

আজিও পাহৰিব পৰা নাই বাইদেউ আৰু ছাৰৰ কোনো কামেই আমাৰ অজ্ঞাতেই কৰিবলৈ ইচ্ছা কৰা নাছিল। শিক্ষাগুৰু গৰাকীয়ে আমাক ইমান আপোন কৰি চলিবলৈ লৈছিল এই কথা আমাৰ মনত পৰিলেই কেতিয়াবা আজি বুকুখন খালি খালি লাগে। এই স্মৃতিয়ে আমাৰ বাবে হৈ ৰ'ল আকাশৰ তৰা। দুয়োগৰাকী আমাৰ কাৰণে অকল মহাবিদ্যালয়ৰ বাইদেউ ছাৰেই নাছিল, আছিল এজনা এজনা গুৰুও। এক কথাত ক'বলৈ হ'লে দুয়োগৰাকীৰ আদৰ্শ আৰু মৰমেই আছিল আমাৰ কাৰণে সৰ্বস্ব। হয়তো আমি আছিলো শ্ৰদ্ধাৰ শিক্ষাগুৰু দুয়োগৰাকীৰ চকুৰ মণি, কাৰণ বেয়া পোৱা কামত আমি কোনো দিনেই আগবঢ়া নাছিলো তথা অৱমাননা কৰা নাছিল। জু নাৰেঙ্গী সন্থাৰ জন্মলগ্নৰে পৰা দুয়োগৰাকী শিক্ষাগুৰুৱে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। ছাত্ৰ সন্থাৰ প্ৰতিটো কামতে দুয়োগৰাকী শিক্ষাগুৰুৱে অভিভাৱক স্বৰূপে আমাক বিভিন্ন কাম কাজত দিহা পৰামৰ্শ সমায় সহযোগ আগবঢ়াইছিল। জু-নাৰেঙ্গী ছাত্ৰ সন্থাই দুয়োগৰাকী শিক্ষাগুৰুৰ মৃত্যুত দুজনাকৈ অভিভাৱক হেৰুৱাই মৰ্মাহত হৈছো।

অৱশেষত প্ৰয়াত বীণাৰাণী বৰদলৈ বাইদেউ আৰু নকুল চন্দ্ৰ দাস ছাৰক জু-নাৰেঙ্গী ছাত্ৰ-সন্থাৰ ফালৰ পৰা শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

## স্মৃতিৰ পোহৰ

আপুনি জ্ঞানৰ জ্যোতি
জীৱনৰ অন্ধকাৰ নাশি
আলোকেৰে জীৱন পোহৰাই
কন্যা মহাবিদ্যালয়ত জ্বলালে
জ্ঞানৰ চাকি ।
আজি কত গৰাকীৰ জীৱন পোহৰাই
আপুনি মিলি গ'ল অচীন আলোকত
আপোনাৰ স্মৃতি জাহি আছে প্ৰতি দিনে, প্ৰতি ক্ষণে,
আপুনি বিলাই যোৱা আলোকেৰে
সময়ৰ অন্ধকাৰ ভেদি
যাম আমি জীৱনত আগুৱাই ।


বৰ্ণস্মিতা ডেকা
স্নাতক ছাত্ৰী ; ২০১৮ বৰ্ষ

# বগলিকা লগা দিনটো

শ্ৰী মধুস্মিতা ডেকা
প্ৰাক্তন ছাত্ৰী - ২০২০

ইং ৩০ ডিচেম্বৰ ২০২১ । হঠাৎ মোবাইলটো বাজি উঠিল । ফোনটোৰ সিটোফালে বিনীতা মেম' ভেউ ভেউ মাতেৰে - 'মধু ক'ত আছ ? আমাৰ দাস ছাৰ আৰু নাই । আমাৰ ছাৰে আমাক এৰি গুচি গ'ল অ' মধু । তই আহঃ মধু, তই আহঃ ।' হঠাৎ চকুলো লাগিলে মেম'ৰ এয়া কি ক'লে ? চকুলো লাগিল যেন সকলো নিথৰ নিস্তব্ধ । মায়ে ওচৰত টিভিখন আছে টুনু ভাত বাঢ়িছে অমানিষে সৰা মাতি আছে অফিচ দেখি হ'লে ঝোক নকৰা কিন্তু আজি । আজি যেন মই মাৰ মাতলিও শুনা নাই । আকল ঘলাইছে মা আমাৰ অসমীয়া বিভাগৰ দাস ছাৰ আৰু নাই । মা আৰু শুনিবলৈ নাপাও সেই শিক্ষক/ শিক্ষয়িত্ৰীৰ তিনি কোঠাৰ বাৰাণ্ডামনৰ পৰা অলপ অলপ নাকেৰে মাত দি মতা মোৰ নামটো 'মধু' আৰু শুনিবলৈ নাপাও লিচাইতৰ মুখত 'আমাৰ ছাৰ' নামটো । এটা সময় আছিল যেতিয়া লিচাইতৰ আৰু আমাৰ ছাৰৰ লৈ টনা টনি লাগিছিল । হাঃ হাঃ হাঃ এইবোৰ যে মনত পৰিলে হাঁহি উঠে ।

লাহে লাহে গজ গোঁজেৰে ছাৰ সুমাই আহিব । আহিয়ে চক্ পেন্সিলডাল ল'ব আৰু বোৰ্ডৰ এটা কোনত দীঘল দীঘলকৈ আচ টানিব । অকনমান পেন্সিলডাল কমা খোৱাৰ বিদ্যুত ক'ৰ বালি আমি ক'ত ৰখিছিলো । শেষ তাৰ বিদ্যুত হাঁহি বিমালি ফুটিয়ে হাতৰ আঙুলি ভংগিয়ে ছাৰে আৰম্ভ কৰিব আজিৰ পাঠটি । আৰু তেঁওৰ সেই বুজনিয়ে মনত ৰৈ যাব আমাৰ এটা এটা বাক্য ।

কলা - সংস্কৃতি ভালপোৱা দাস ছাৰ আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সকলো অনুষ্ঠানতে আগবাঢ়ি আহি বহুতো নিৰ্দেশ নিৰ্দেশনা দিছিল । ছাৰ আৰু আমাৰ সম্পৰ্ক ছাত্ৰী কম নিজৰ জোৱালী বেছি আছিল । নিজৰ জোৱালীৰ নিচিনা আমাক মৰম কৰিছিল, মকৰা কথা, ছাৰে মোবাইলৰ কথা ইমান নাজানিছিল যেতিয়ে মোবাইল চেটিং শিকাই দিয়া, আৰু মকৰ পৰা ভাবিলৈ

সকলোবোৰ আমাৰ লগত প্ৰকাশ কৰিছিল।

ছাৰৰ এই সকলো কথা সেইদিনাখনৰ মনলৈ আহিছিল। এনেতে প্ৰণী (মোৰ প্ৰিয় বান্ধৱী)ৰ ফোন আহিল। ফোনটো উঠাই মই মৌন হৈ ৩ মিনিট মান ৰৈ থাকিলোঁ। কাৰণ আজি আমাৰ কথা নাই। মৌন হৈ কান্দিলোঁ। মই সুধিলোঁ প্ৰণী কেতিয়া যাবি। তাই ক'লে মই অফিচত আছোঁ তই গৈ থাক্ কিন্তু মোৰ বাবে ৰখিবি মই ছাৰক চাম শেষ বাৰৰ বাবে। হ'ব দে বুলি ফোনটো ৰাখিলোঁ। এনেতে জিতু (জু-নাৱেহীৰ ছাত্ৰ একতা সভাৰ সম্পাদক)ৰ ফোন আহিল আৰু ক'লে ছাৰক GMCH লৈ মৰণোত্তৰ পৰীক্ষালৈ আনিছে তুমি আহা। মই GMCH ৰ মৰণোত্তৰ বিভাগলৈ গৈ দেখিলোঁ ছাত্ৰ একতা সভাৰ সৰু সৰু ছোৱালী ~~ছাত্ৰ~~ চাৰিজনী, জিতু আৰু মোৰ সহপাঠী দুজনীও আছে।

সেইদিনা মই বুজিছো মৃত্যু মানে কি? মৃত্যু কেনেকুৱা? এমন স্বৰ্গৰথৰ ভিতৰত ছাৰক সুমাই থৈছে। অৰ কাষৰত আমিবোৰ এনেতে দুজনে মানুহ আহি ছাৰক লৈ গ'ল। প্ৰায় ৪০ মিনিট পিছত ছাৰক পিছত ছাৰক মৰণোত্তৰ পৰীক্ষা কৰি লৈ অহা হ'ল। এবাৰ ছাৰক চাওঁ বুলি মানুহজনক ক'লোঁ ও দাদা এবাৰ চাওঁ। ওপৰত বগা কাপোৰ তলত প্লাষ্টিকেৰে ঢাকি থোৱা ছাৰক এনেকুৱা এটা ~~বগা~~ অৱস্থাত দেখিলোঁ মই ব্যক্ত কৰিব নোৱাৰিম। তেতিয়া দোকানখনৰ পৰা পানী এবটল কিনি মূৰত ঢালি দিলোঁ। লগৰ সহপাঠী (লিপি, কংকনা) দুজনে ক'লে তই যাব নোৱাৰিবি নে। মই ক'লে ছাৰে কেনেকুৱা দুখ পাইছে! তই দেখিছ নে? কিমান কষ্ট পাইছিল ছাৰে!

অলপ সময় ৰখি আকৌ ছাৰক স্বৰ্গৰথখনত উঠালে। এবাৰ ছাৰ আমাৰ মহাবিদ্যালয় অভিমুখে। ছাৰৰ স্বৰ্গৰথ আগে আগে ~~মোৰ আৰু~~ মই আৰু কংকনাৰ পাছে পাছে। আমাৰ এনেকুৱা লাগিছিল যে আজিও ছাৰে আমাক বাট দেখুৱাই গৈছে। ছাৰক লৈ আমি কন্যা মহাবিদ্যালয়ত উপস্থিত হ'লো। মহাবিদ্যালয় শিক্ষক/শিক্ষয়িত্ৰী, কৰ্মচাৰী সদস্য, ছাত্ৰী, প্ৰাক্তন ছাত্ৰী সকলোৱে ছাৰক শেষ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিলে। মহাবিদ্যালয়ত শ্ৰদ্ধাঞ্জলি শেষ হোৱাৰ পিছত ছাৰ স্বৰ্গৰথ আগুৱাই গ'ল ছাৰৰ আপোন ঘৰখনলৈ।

ইং ৩০ ছেপ্তেম্বৰ ২০২১ সঁচাকৈ এটি কালিকা লগা দিন।

## ছাৰৰ স্মৃতিত দু-আষাৰ

ভগৱান আঁচাই বৰ নিষ্ঠুৰ। বিশ্বৰ সত্য হৈছে এইয়েই যে মানুহ মৰণশীল। কিন্তু সত্য হলেও মই মানিবলৈ অক্ষম। কলেজত তিনি বছৰ কেনেকৈ ছাৰৰ লগত সময় অতিবাহিত হৈছিল কব নোৱাৰিলো। ডিগ্ৰী সমাপ্ত হোৱাৰ পিছতো ছাৰৰ লগত যেন এক মৰমৰ অন্তৰজৰি বান্ধনি আছিল। ছাৰৰ চিৰনিদ্ৰাৰ কথা যেন অবিশ্বাস্যনীয়। ২০২১ চনৰ ৩০ ফেব্ৰুৱাৰীত ছাৰে ইহলীলা সম্বৰণ কৰে। ছাৰৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ কলেজখনত শোকৰ বিননি এৰি হৈ গৈছে। ছাৰৰ পাৰ্থিৱ শৰীৰ অগ্নীত ভস্মীভূত হৈছে যদিও ছাৰৰ আত্মা অবিনশ্বৰ। মোৰ সকলো প্ৰিয় ছাৰ-বাইদেউ সকলৰ ভিতৰত ছাৰো এজন প্ৰিয় শিক্ষক আছিল। ছাৰৰ বিষয়ে যিমানেই কোৱা যায় সিমানেই কম হব। কলেজৰ প্ৰতি ছাৰৰ অৱদান উল্লেখনীয়। ছাৰ কেৱল মোৰেই নহয় কলেজৰ সকলোৰে প্ৰিয় শিক্ষক আছিল। (ছাৰ আপুনি আমাৰ মাজত সদায় জীয়াই থাকিব) ছাৰৰ স্মৃতিবোৰৰ লগত ছাৰক আমাৰ মাজত সদায় জীয়াই ৰাখিম।

প্ৰনীতা দাস
প্ৰাক্তন ছাত্ৰী
স্নাতক অসমীয়া বিভাগ ২০২০

# নকুল চন্দ্ৰ দাস

## এজন মহান শিক্ষকৰ এক মিঠা সোঁৱৰণ

ৰানী আহমেদ
স্নাতক ২০১৬ চন।

একো একোজন শিক্ষকৰ কৰ্মজীৱন, শিক্ষা প্ৰদান, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা গভীৰ অনুৰাগে শিক্ষকজনৰ কথা চিৰস্মৰণীয় কৰি ৰাখে। তেনেকুৱা এজন ব্যক্তি-সত্বাৰ শিক্ষাগুৰু চিৰনমস্য নকুল চন্দ্ৰ দাস ছাৰ।

শিক্ষকতা বৃত্তি নহয়, আমি ভাবো। শিক্ষকতা এক মহান সেৱা। এই সেৱাত আত্মোৎসৰ্গ কৰিব হ'লে কৰ্তব্যৰ প্ৰতি অগাধ আস্থা, পবিত্ৰ মন, অধ্যৱসায়, দায়িত্ববোধ থাকিব লাগিব। আমাৰ চকুত নকুল চন্দ্ৰ দাস চাৰৰ সেই আটাইবোৰ গুণেৰে গুণবন্ত আছিল।

মই ২০১৩ চনত নলবাৰীৰ "এ. ভি. এন জুনিয়ৰ কলেজৰ" পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ "কমল্যা মহাবিদ্যালয়" পীজনগৰত স্নাতক শ্ৰেণীত নামভৰ্তি কৰিছিলো। মোৰ অনাৰ্ছৰ বিষয় আছিল 'অসমীয়া'। এই বিভাগতে এজনা শিক্ষাগুৰু নকুল চন্দ্ৰ দাস চাৰৰ পাঠদান ব্যৱস্থাই মোক গভীৰ ভাৱে আকৰ্ষিত কৰি তুলিছিল। সুমধুৰ হাঁহি, পৰিপাটী গুৰু-গম্ভীৰ কথা-বাৰ্তাই মোৰ হৃদয়ত এক মচিব নোৱাৰা স্মৃতিৰ সাজ বহুৱাই ৰাখিছে।

নকুল চন্দ্ৰ দাস চাৰ মোৰ খুবেই প্ৰিয় আছিল । তেখেতৰ কথাবোৰ পিতৃসদৃশ আছিলে আৰু মোক আত্মবিশ্বাসী, প্ৰেৰণাশীল কৰিছিল । কোনো এটা সাংস্কৃতিক অনুষ্ঠান হওক বা সৰস্বতী পূজাতে হওক চাৰে আমাৰ লগত সমভাগী আছিল ।

দক্ষ চাৰৰ ঘৰ আছিল ধপ্ৰশাৰ নলবাৰী জিলাত । আৰু মোৰও ঘৰ আছিল নলবাৰীত । সেই বাবে চাৰে অকলাবে আগত কৈছিল এইজনী আমাৰ গাওঁৰে ছোৱালী । চাৰে কলেজলৈ আহিছিল সৰহ ভাগ খোজতে । একেখন বেলতে কৈয়া বাৰ ও মই ও আহিছিলো চাৰ লগত । চাৰৰ প্ৰতিভাৰ, মুগ্ধকাম্য ব্যৱহাৰে আমাক মন মগজত আবদ্ধ কৰি ৰাখিছিল । দাস চাৰ অবিস্মৰণ মনৰ মানুহ আছিলে ।

দাস চাৰৰ ১৯৫৮ চনত মাৰ্চৰ ১ তাৰিখে জন্ম হৈছিল । বিধিৰ বিধান ন্যায় খণ্ডন আমিও কলেজৰ শিক্ষা সাং কৰিলো । আৰু বি.এ পাছ কৰি অহাৰ পিছতও চাৰৰ লগত যোগাযোগ আছিল । কিন্তু এদিন হঠাৎ আহিল চাৰৰ বেমাৰ খবৰ । আৰু এনেকুৱা লাগিল যেন মোৰ মূৰত বজ্ৰপাতহে পৰিল । মই ভাগি পৰিলো । মই কেতিয়াও ভৰা নাছিলো চাৰৰ আজিন পাওঁত 'বাইকত এক শোকাবহ পথ দুৰ্ঘটনাত শিক্ষাগুৰু, পিতৃতুল্য নকুল চন্দ্ৰ দাস চাৰৰ শেষ

নিশ্বাস ঘাটে। আৰু ২০২১ চনৰ ৩০ চেপ্টেম্বৰ অৱশেষে চাৰে আমাক একসাৰীয়া কৰি অজ্ঞান হৈই লৈ চিৰদিনৰ বাবে গুচি যায়।

সামগ্ৰিক দায়বদ্ধতাৰ প্ৰতি সদা-সচেতন ব্যক্তি অসংখ্যক শিক্ষাদানেৰে পোহৰৰ বাট দেখুওৱাই চাৰ আৰু নাই বোলা কথাষাৰে আমাক সদায়ে আমনি কৰিব। জ্ঞানৰ আকাৰ, সু-পৰামৰ্শৰ অধিকাৰ নকুল চন্দ্ৰ দাস চাৰৰ দৰে যোগ্য শিক্ষাগুৰু পাবলৈ বিৰল।

আমি চাৰৰ প্ৰতি সদায়ে অশেষ শ্ৰদ্ধা- সোৱা আগবঢ়াই থাকিম আৰু দাস চাৰৰ আত্মাৰ চিৰশান্তিৰ প্ৰাৰ্থনা কৰি থাকিম।

---

# স্মৰণীয়

লিপিৰেখা বৰ্মন
প্ৰাক্তন ছাত্ৰী - ২০২০

সেৰ-প্ৰাজন উভতি নাহে দুনাই
যি যায় যাওঁক তেওঁ সদায় হৃদয়ত
যি যায় যাওঁক কিছু সুন্দৰ স্মৃতি
অতীতৰ কিছু সুমধুৰ এনে সময়
যাক বিচাৰিলেও আনিব নোৱাৰি দুনাই
এইয়াই বাস্তৱ, এইয়াই চিৰসত্য
হয়তো মোৰ নাথাকিব পাৰে,
তেওঁৰ সৈতে আত্মাৰ তেজ-সংহৰ
কিন্তু, তেওঁ থাকিব সদায় হৃদয়ত
চিৰ-স্মৰণীয়, চিৰ-পূজনীয় হৈ ।

ৰূপালী ছিমু :
স্নাতক অসমীয়া বিভাগ ২০১৭

## মোৰ প্ৰীতি অনুভৱ

মোৰ প্ৰথমতে মোৰ পৰিচয় মই কন্যা মহাবিদ্যালয়ৰ ছাত্ৰী মই যেতিয়া এইখন মহাবিদ্যালয়ৰ ছাত্ৰী আছিলো সেই সময়ত মহাবিদ্যালয়ৰ সকলো চাৰ বাইদেউৱে আমাক শিক্ষাৰ দিশত তথা আন বিভিন্ন দিশৰ সকলোৰ লগত আমাক সকলোকে আগবঢ়াই নিয়াত সহায় কৰিছিল। সেই বাবে আজি মই মহাবিদ্যালয়ৰ চাৰ বাইদেউক মোৰ সকলোৰে তথা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তাৰে মাজত এইখন মহাবিদ্যালয়ৰ স্বৰ্গীয় নকুল চন্দ্ৰ দাস চাৰ আছিল আমাৰ অসমীয়া বিভাগৰ চাৰ যি এন চাৰ আজি আমাৰ মাজত নাই, বৰ দুখৰ কথা যে আজি চাৰক ইমান সোনকালে আমাৰ মাজৰ পৰা হেৰুৱাব লগা হ'ল স্বৰ্গীয় নকুল চাৰ যেতিয়া আমাৰ মাজত আছিল চাৰে আমাক সুন্দৰ ভাৱে শিক্ষা দি আহিছিল, লগতে সকলোকে সমান ভাৱে আগবঢ়াই নি যোৱাত সহায় কৰিছিল। চাৰ যদিও আজি আমাৰ মাজত নাই কিন্তু চাৰক আমি সদায় আমাৰ মাজত জীয়াই ৰাখিম। কাৰণ আমি সকলোৱে চাৰক কেতিয়াও পাহৰিব নোৱাৰো।

প্রকৃতির নীতি-নিয়ম অনুসারে জন্ম হলে মরিতে
একদিন মৃত্যু অনিবার্য। তাহার বিদেহী আত্মার
চিরশান্তির কামনা করিবা ঈশ্বরের চরণে প্রার্থনা
জানালো। তাহার শোক-সন্তপ্ত পরিবার আত্মীয়
স্বজনদের প্রতি সমবেদনা জ্ঞাপন করিলাম।

# মোৰ অনুভৱত ছাৰ...

স্মিতা হাজং
স্নাতক অসমীয়া বিভাগ ২০১৭

সৰ্ব প্ৰথমে মই কন্যা মহাবিদ্যালয়ৰ গীতানগৰ গুৱাহাটী-২১ সকলো অধ্যাপক লগতে মৰমৰ বাইদেউ, ভনিটি আৰু সমনীয়া সকলোকে মোৰ সেৱা তথা মৰম যাচিলোঁ। ২০১৪ চনৰ পৰা মই এগৰাকী স্নাতক অসমীয়া বিভাগৰ ছাত্ৰী আছিলোঁ আৰু ২০১৭ চনত মই মোৰ স্নাতক ডিগ্ৰী শেষ কৰি মহাবিদ্যালয়ৰ পৰা ওলাই আহোঁ। ২০১৪ চনৰ পৰা ২০১৭ চনলৈ মই বিদ্যালয়ত যিমান দিন পাৰ কৰি আহিলোঁ লগতে অধ্যাপক সকলৰ যথেষ্ট মৰম আৰু ভালপোৱা সেই দিনবোৰ জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ।

কন্যা মহাবিদ্যালয়ৰ সকলো অধ্যাপকৰ ভিতৰত এগৰাকী অসমীয়া বিভাগৰ অধ্যাপক স্বৰ্গীয় নকুল চন্দ্ৰ দাস ছাৰৰ বিষয়ে দু আষাৰ ক'ব বিচাৰিছোঁ। ছাৰ আজি আমাৰ মাজত আৰু নাই কিন্তু ছাৰ আমাৰ সকলোৰে মাজত সদায় স্মৰণীয় হৈ থাকিব।

মোৰ জীৱনত লগপোৱা অধ্যাপক সকলৰ লগতে আধুনিক এগৰাকী শ্ৰেষ্ঠ অধ্যাপক আছিলে। ছাৰে দিয়া শিক্ষা, জ্ঞান, সাহস আৰু মৰমবোৰ মই কেতিয়াও পাহৰিব নোৱাৰোঁ। ছাৰে আমাক নিজৰ ছোৱালীৰ দৰে যথেষ্ট মৰম কৰিছিল জীৱনত আগুৱাই যোৱাৰ বাবে সাহস দিছিলে।

আপোনাৰ অন্তিম যাত্ৰাত আপোনাক শ্ৰদ্ধাঞ্জলি জনাই বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালো । আপুনি যতে আছে কুশলে থাকক ।

ওঁম শান্তি ; ওঁম শান্তি ; ওঁম শান্তি ।।।

# অভিব্যক্তি

শ্ৰদ্ধাৰ নকুল চন্দ্ৰ দাস ছাৰ বহুত মনোযোগেৰে পঢ়াইছিল। তেওঁ আমাৰ অসমীয়া বিষয়ৰ শিক্ষক আছিল। তেওঁ আমাক অসমীয়া বিষয়ৰ শিক্ষক আছিল। তেওঁ প্ৰত্যেকটো শ্ৰেণী সময়ত নিয়মিতকৈ লৈছিল। তেওঁৰ শ্ৰেণীবোৰ আমাৰ অসমীয়া বিষয়ৰ প্ৰতি কৰি ভাল পাইছিলোঁ। সৰু শ্ৰেণীত পঢ়োৱা পাঠ বৰ্তি দিছিল ছবি, সংগীত শুনাই দিছিল সেইবাবে ছাৰ মোৰ অতি শ্ৰদ্ধাৰ আছিল। আৰু মোৰ নতুন কৈ মোৰ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাই আমাক অতিথি হিচাপে সভাত নতুন আদৰ-যতন কৰিছিল। তেওঁ মহাবিদ্যালয় অনেক টি মঞ্চত বক্তৃতা আশা-আকাংক্ষা পূৰ্ণ কৰিছিল। তেওঁৰ স্মৃতি আজিও আমাৰ মনত চিৰদিন হৈ থাকিব লগতে ছাৰ এই মহাবিদ্যালয়ৰ আজীৱন স্মৰণীয় হৈ ৰব।

নাম : শ্ৰী পূজা মজুমদাৰ

শ্ৰেণী : দ্বিতীয় ষাণ্মাসিক

## শ্ৰদ্ধাঞ্জলি

প্ৰয়াত পদ্মলাল দাস ছাৰ মোৰ প্ৰিয় শিক্ষা গুৰু আছিল। ছাৰক মই প্ৰথম মহাবিদ্যালয় খোজ লোৱাতে লগ পাইছিলোঁ। ছাৰৰ প্ৰথম ক্লাছত আমি আনন্দেৰে ছাৰৰ লগত চা-মিঠাই খাইছিলোঁ। ছাৰৰ কথা আকৰ্ষণীয় আছিল। তেওঁৰ কথাৰ ধৰণ অনুকৰণীয় আছিল। তেওঁৰ কথা আমাক বৰকৈ আকৰ্ষণ কৰে। ছাৰৰ সুমধুৰ মিঠা হাঁহি, চশমা পিন্ধা চেহেৰা চাপৰি এতিয়াও মনত পৰে। ছাৰ শ্ৰেণী কোঠাত আমাক মিঠা হাঁহিৰে অধ্যাপনা কৰাইছিল। ছাৰে এই মহাবিদ্যালয়খনক লৈ বহুত সপোন বুকুত বান্ধি ৰাখিছিল। ছাৰক এনে বিশুদ্ধ কথা আৰু দিনৰ হয়তো মোৰ জীৱনৰ লগত। হয়তো ছাৰৰ পৰা বহুত শিকিব লগীয়া কথা আছিল। ঈশ্বৰেও যে লগ নেৰিলে। ছাৰৰ অকালতে মৃত্যু আমাৰ বাবে দুখলগীয়া হ'ল। ছাৰ অকালতে গুছি গ'ল। আমি আৰু এবাৰ কন্যা মহাবিদ্যালয় পৰিয়াল নিঠৰুৱা হৈ পৰিল।

ছাৰ আপোনাক অশ্ৰুপূৰ্ণ শ্ৰদ্ধাঞ্জলি

ওঁ শান্তি ওঁ শান্তি ওঁ

নাম- আফছানা বেগম

চতুৰ্থ ষাণ্মাসিক

## আইতাৰ সপোন

টোপ সপোনে দেখিছিলে
সপোন মানে
আইতাইয়ে আৰষা সপোন
ঘোৰ অন্ধকাৰ
হঠাৎ কলিজা কম্পমান
আপোনজনক শেষ বাৰ হয়,
প্ৰথমে, গছত পানী ঢালিলো
আৰু অম্মিয়ালে;
ৰঙাকৈ বলি মকা
চিতাৰ জুই দেখিলো
শ্ৰদ্ধাঞ্জলি, অশ্ৰুঞ্জলি
নিগৰালো — ।
তুমিৰ ঘৰ সোনৰ নিচিনাকৈ
নিজৰাৰ মন হৈছিল আধিদনা
— "চকু মেলা, কথা কোৱা;
আহি উঠা, ভাত দিয়া
আইতা - এবাৰ মোলৈ চোৱা"

— শ্ৰী নবনীতা কলিতা
প্ৰাক্তন ছাত্ৰী

# শেষ বিদায়

আপুনি যাঁও বুলি নকবো
আপোনাক আমি বিদায় দিব নোৱাৰো ।

আমাৰ মাজৰ আতৰি গ'লেও
প্ৰতিটো মুহূৰ্তে আমাৰ মনত স্মৃতি হৈ ৰৈ থাকিব ॥

আপুনি যাঁও বুলি নকবো
আপোনাক উভতাই আনাৰ সাহস আমাৰ হাত নাই ।

কিন্তু প্ৰতিটো মুহূৰ্তে আমাৰ মনত স্মৃতি হৈ ৰৈ আছে
জানো, এতিয়া আৰু সেই দিন ঘূৰাই নাপাওঁ ॥

যিবোৰ দিন আমি হাঁহি ধেমালিৰে কটাইছো ,
জানো সেইবোৰ দিন পুনৰাই কেতিয়াও ঘূৰাই নাপাওঁ

কিন্তু আপুনি আছে , আৰু সদায় থাকিব
প্ৰতিটো মুহূৰ্তে আমাৰ মনত স্মৃতি হৈ ।

জোনকা বৰুৱা
প্ৰাক্তন ছাত্ৰী - ২০২০

শ্ৰদ্ধাঞ্জলি

আমাৰ শ্ৰদ্ধাৰ নকুল চন্দ্ৰ দাস ছাৰ খুবেই মৰমীয়াল আৰু এজন সহজ-সৰল ব্যক্তি আছিল। তেখেতে আমাৰ অসমীয়া বিষয়ৰ ক্লাচবোৰ খুব ধুনীয়াকৈ কৰিছিল শ্ৰেণীকোঠাত তেখেতে এজন শিক্ষক হিচাপে নহয় মৰমীয়া বন্ধু হিচাপে আমাৰ সৈতে লগত ধেমালি কৰিছিল। আমাৰ কন্যা মহাবিদ্যালয়ৰ উন্নতি হোৱাটো তেখেতে সদায় বিচাৰিছিল। তেখেতে এই কলেজখনত প্ৰথমৰপৰা জড়িত হৈ আছিল। আমাৰ কন্যা বিদ্যালয়ৰ ছাত্ৰী একতা সভা নিৰ্বাচনত ভাগ লওঁতে আমাৰ যথেষ্টখিনি সহায় কৰিছিল। তেখেতে কিতাপৰ বাহিৰেও বিভিন্ন বিষয়ৰ জ্ঞান দিছিল। জীৱনত কেনেকৈ আগ বাঢ়িব পাৰি সেই বিষয়ে আমাক নিজৰ জোৱালীৰ নিচিনা বুজাইছিল। তেখেতে আমাৰ মনত সদায় চিৰ স্মৰণীয় হৈ ৰব। অৱশেষত তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক সেয়াই নেদেখাজনত ওচৰত প্ৰাৰ্থনা জনালোঁ।

নাম - শ্ৰী প্ৰাচুৰ্য্যা বৰ্মন
শ্ৰেণী - চতুৰ্থ ষাণ্মাসিক

ওঃ শান্তি

# ৺ নকুল চন্দ্ৰ দাস ৰায়

নকুল চন্দ্ৰ দাস ৰায়ৰ ছাৰ নলবাৰী জিলাত আছিল। ছাৰ আমাৰ বহুত মৰমৰ আছিল। ছাৰক বহুত কম সময়লৈকে লগ পাইছিলো। ছাৰৰ কথা-বতৰা, কবিতা, কাহিনীবোৰ, গানবোৰ শুনি বহুতো ভাল পাইছিলো। ছাৰৰ কণ্ঠৰে আমাক গাই শুনোৱা গীত এটা হ'ল- 'আমাৰ দেখিছা, নাই দেখা.....' এই গীতটো আমাক প্ৰায়ে গাই শুনাইছিলে। ছাৰ বহুত হাঁহি স্ফূৰ্তিৰ ব্যক্তি আছিল। আমি ছাৰৰ ক্লাছ কৰি বহুতে ভাল পাইছিলো। ছাৰৰ হঠাৎতে হোৱা আকস্মিক ঘটনাটো আমি শুনি বৰ দুখ পালো।

সেয়েহে ভগৱানৰ ওচৰত ছাৰৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জ্ঞাপন কৰিলো।

ওঃ শান্তি

— সুৰভি কলিতা
— ষষ্ঠ ষাণ্মাসিক
(অসমীয়া বিভাগ)

# জ্ঞানজ্যোতি

অনাকাংক্ষিত এটি খবৰ
আপুনি হেনো গ'ল গৈ
কেতিয়াও উভতি নহাৰ মৌন প্ৰতিশ্ৰুতিৰে ।
অবিশ্বাস্য এই সময়
বাকৰুদ্ধ আৰু নীৰৱতাৰ সংমিশ্ৰণ
সময় বাৰু ইমান নিষ্ঠুৰ হ'ব পাৰে নে?
পাৰে জানো ম্লান হ'ব জ্ঞানৰ জ্যোতি !
যি জ্যোতিৰে পোহৰাই ৰাখিছে আমাক
কেনেকৈ বাৰু ম্লান হ'ব পাৰে তাৰ আলোক !
হয়তো আপোনাৰ কৰ্মৰে
যোৱাৰ সময়তো দি গ'ল
আপুনি এক নতুন জ্ঞান,
জ্ঞান জীৱনৰ, জ্ঞান সময়ৰ ।

— মৌচুমী কলিতা
— ষষ্ঠ ষাণ্মাসিক ।

নকুল চন্দ্ৰ দাস :- আমাৰ অতি শ্ৰদ্ধাৰ ছা
আছিল নকুল ছাৰ। তেওঁ আমাক সদায়
ক্লাছ লৈছিল। তেওঁ আমাক বিভাগৰ
অন্তৰ্গত পাঠ্যসমূহ অতি সুন্দৰভাৱে
বুজাইছিল। আৰু কিবা যদি অসু-
বিধা হৈছিল তেতিয়া তেওঁ আমাক
সদায় সহায় কৰিছিল।

নাম- জেছমিনা পাৰভীন

শ্ৰেণী - চতুৰ্থ ষাণ্মাসিক অসমীয়া

# কবিতা

তুমিয়ে মোক জনম দিলা এই সংসাৰখনত
তুমিয়ে মোক তুলি তালি কৰিলা ডাঙৰ।
তোমাৰ দ্বাৰাই দেখা পালো
মনোমোহা এই জগতখন।
কিন্তু আজি হঠাতে তুমি মোক এৰি
কত লোকাই আছা মা ?
তোমাক বিচাৰি নিৰ্জনবনত
অকলে চিঞৰি ফুৰিছো মাঁ মাঁ বুলি।
চকু চকুলো টুকি এই নিৰ্জন বনত
কান্দিছো অকলে ঘূৰি ফুৰি।
এবাৰ তুমি কাষলৈ আহি
মোক দেখা দিয়া মা।
মাঁ তুমি এৰি গুচি মোৰাৰে পৰা
এই সংসাৰৰ দিনকো আন্ধাৰ যেন পাঁও।
এবাৰ সপোনতে আহি দেখা দিয়া মাঁ।
যদিহে তুমি দেখা নিদিয়া
তেন্তে মলয়া এছাটি হৈ সদায়ে মোৰ কাষলৈ আহিবা।

নাম :- জুপিতৰা দাস
শ্ৰেণী:- চতুৰ্থ ষাণ্মাসিক (অসমীয়া বিভাগ)









# কন্যা মহাবিদ্যালয়

